# স্পষ্টীকৰণ

যোৱা ইং ১৬-০২-২০১৬ তাৰিখে "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "দিন দুপৰতে ৰাজপথত চলিছে বালিৰ ট্ৰাক" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে মহানগৰীৰ ৰাজপথত দিনৰ ভাগত কোনোধৰণৰ বালিৰ ট্ৰাক পৰিলক্ষিত হ'লে সেইসমূহৰ বিৰুদ্ধে আৰক্ষীয়ে আইনমতে বিহিত ব্যৱস্থা গ্ৰহণ কৰি আহিছে। ৰাজপথত আৰক্ষীয়ে কোনো বালিভৰ্ত্তি ট্ৰাকৰ পৰা ধন লোৱা সম্বন্ধে এতিয়ালৈকে কোনো অভিযোগ লাভ কৰা হোৱা নাই।

এই সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্ত (যান-বাহন)ক তদন্ত কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ১৫-০২-২০১৬ তাৰিখে "দৈনিক অগ্ৰদূত" কাকতত প্ৰকাশিত "ছাগত প্ৰৱঞ্চিত আৰক্ষী ঃ ভাট্টা অবিহনে ঘৰমুৱা ২০৮ কনিষ্টবল" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে ছাউথ এছিয়ান গেমছৰ কৰ্তব্যৰত সকলো কনিষ্টবলকে দৈনিক ভাট্টা সমূহ বিতৰণ কৰি থকা হৈছে। কিন্তু যোৰহাট, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ আৰক্ষী কনিষ্টবলক তৎকালীনভাৱে যোৱা ইং ১৪-০২-২০১৬ তাৰিখে নিজ নিজ জিলালৈ পঠিয়াই দিব লগা হৈছিল। উক্ত দিনটো দেওবাৰ হোৱা হেতুকে বেংক বন্ধ আছিল আৰু সেইবাবে সেইদিনা উক্ত কনিষ্টবলসকলক ভাট্টা প্ৰদান কৰিব পৰা নগ'ল। ইতিমধ্যে এজন আৰক্ষী বিষয়াক উক্ত কনিষ্টবলসকলৰ নিৰ্ধাৰিত ভাট্টাৰ ধন প্ৰদান কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হৈছে আৰু এই বিষয়াজনে নিৰ্দিষ্ট জিলাসমূহলৈ গৈ এই ধন প্ৰদান কৰিব। উল্লেখ্য যে যিসকল কনিষ্টবল ইতিমধ্যে নিজৰ কৰ্তব্য সমাপন কৰি নিজ জিলালৈ ঘূৰি গৈছে আৰু যিসকলে ভাট্টাৰ ধন পোৱা নাই তেওঁলোক আটাইলৈ নিৰ্ধাৰিত ভাট্টা নিজ নিজ জিলালৈ প্ৰেৰণ কৰাৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু গুৱাহাটীত উপস্থিত থকা আন জিলা সমূহৰ সকলো আৰক্ষী বিষয়া-কৰ্মচাৰীক নিৰ্ধাৰিত ভাট্টা বিধিগতভাৱে প্ৰদান কৰা হৈছে।

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী